# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 30-08-2024 **Time :** 0900 Hrs

## *Assamese Morning Bulletin*

## HEADLINES

১। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী ডº এল মুৰুগানৰ চিৰাং জিলাত ৰূপায়ণ হৈ থকা বিভিন্ন চৰকাৰী আঁচনি পৰ্যালোচনাৰ লগতে আজি ভূটানৰ গেলেফু ভ্ৰমণ।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি মহাৰাষ্ট্ৰৰ পালঘৰত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন।

৩। শিশুৰ হৃদপিণ্ড আৰু ৰক্তজনিত জটিল ৰোগৰ চিনাক্তকৰণ আৰু চিকিৎসাৰ বাবে পহিলা ছেপ্তেম্বৰৰ পৰা ৰাজ্য চৰকাৰৰ বিশেষ ব্যৱস্থা গ্ৰহণ।

৪। বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱ আসন প্ৰতিষ্ঠাৰ বাবে বিশ্ববিদ্যালয়খনৰ সৈতে অসম চৰকাৰৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ।

*আৰু*

৫। পেৰিছ্ পেৰালিম্পিকত ভাৰতীয় মিক্সড কম্পাউণ্ড আৰ্চাৰী দলত শীতলা দেৱী আৰু ৰাকেশ কুমাৰৰ নতুন অভিলেখ সৃষ্টি।

0000000

কেন্দ্ৰীয় তথ্য, সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে আজি চৰকাৰৰ বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰাৰ লগতে ভূটানৰ গেলেফুত বিভিন্ন কাৰ্যসূচী ভাগ ল'ব।

দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হোৱাৰ পাছত চিৰাঙত এখন পৰ্যালোচনা বৈঠকত অংশ লৈ মন্ত্ৰীগৰাকীয়ে কয় যে, উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন প্ৰধানমন্ত্ৰীৰ অন্যতম শীৰ্ষ অগ্ৰাধিকাৰ। তেওঁ কয় যে, প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূবৰ ৰাজ্যসমূহৰ উন্নয়নত সৰ্বাধিক গুৰুত্ব আৰোপ কৰি প্ৰায় প্ৰতিমাহে একোগৰাকীকৈ কেন্দ্ৰীয় মন্ত্ৰী অঞ্চলটোলৈ প্ৰেৰণ কৰি আহিছে। এই মন্ত্ৰীসকলে উত্তৰ-পূবত ৰূপায়িত হৈ থকা উন্নয়নমূলক প্ৰকল্পসমূহৰ পৰ্যালোচনা কৰি প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰে। কালি চিৰাং জিলাত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অধীনত ৰূপায়িত আঁচনিসমূহ সন্দৰ্ভত পৰ্যালোচনা বৈঠকত অংশ লৈ মন্ত্ৰীগৰাকীয়ে সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ লগতে গৰিব কল্যাণ যোজনা, ৰাজ্য চৰকাৰৰ অৰুণোদয় আঁচনি, আৰোহণ আঁচনি আদিৰ অধীনত হিতাধিকাৰীসকলে পৰ্যাপ্ত সুবিধা লাভ কৰিছে বুলি মন্তব্য কৰে।

ড০ মুৰুগনে আজি চিৰাং জিলাৰ অংগনৱাড়ী কেন্দ্ৰ, বিদ্যালয় পৰিদৰ্শন কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰিব। মন্ত্ৰীগৰাকীয়ে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ গুৱাহাটীত থকা কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াৰ সৈতে বৈঠকত মিলিত হোৱাৰ কথা। তেওঁ লগতে হিন্দুস্তান পেট্ৰ'লিয়াম ক'ৰ্পৰেচন লিমিটেডৰ তৈল ভাণ্ডাৰ প্ৰকল্প পৰিদৰ্শন কৰি পিছত বিয়লি চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ গেলেফুলৈ বুলি ৰাওনা হ'ব।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ মুম্বাই আৰু পালঘৰ ভ্ৰমণ কৰিব। পুৱা প্ৰায় ১১ বজাত প্ৰধানমন্ত্ৰীয়ে মুম্বাইৰ জিঅ' ৱৰ্ল্ড কনভেনচন চেণ্টাৰত গ্ল'বেল ফিনটেক ফেষ্ট ২০২৪ত ভাষণ দিব।

প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াৰ পাছত দিনৰ ডেৰ বজাত পালঘৰৰ চিডকো খেলপথাৰত বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ বধ্বন বন্দৰৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পৰ ব্যয় প্ৰায় ৭৬ হাজাৰ কোটি টকা। বিশ্বমানৰ সামুদ্ৰিক প্ৰৱেশদ্বাৰ স্থাপন কৰাই এই প্ৰকল্পৰ লক্ষ্য। দেশৰ বাণিজ্য আৰু অৰ্থনৈতিক বিকাশত এই প্ৰকল্পই সহায় কৰিব। পালঘৰ জিলাৰ দহানু চহৰৰ সমীপত অৱস্থিত বধ্বন বন্দৰ ভাৰতৰ অন্যতম বৃহৎ গভীৰ পানীৰ বন্দৰ হ'ব আৰু ই আন্তঃৰাষ্ট্ৰীয় জাহাজ পথৰ সৈতে প্ৰত্যক্ষ যোগাযোগ স্থাপন কৰিব। ইয়াৰ ফলত পৰিৱহণৰ সময় আৰু খৰচ যথেষ্ট হ্ৰাস পাব। ইয়াৰ উপৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰায় এক হাজাৰ ৫৬০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হবলগীয়া ২১৮টা মীন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই পদক্ষেপসমূহে মীন খণ্ডত পাঁচ লাখৰো অধিক কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে।

00000

ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে অহা ১ৰ পৰা ১০ ছেপ্তেম্বৰলৈ হৃদয় আৰু ৰক্তজনিত জটিল ৰোগত আক্ৰান্ত শিশুৰ বাবে ৰাজ্যজুৰি ৰোগ চিনাক্তকৰণ শিবিৰ আৰু পৰৱৰ্তী পৰ্যায়ত চিকিৎসা সেৱা আগবঢ়াব। এই চিকিৎসা সেৱা লিউকেমিয়া, থেলাচেমিয়াকে আদি কৰি জটিল ৰক্তজনিত ৰোগত আক্ৰান্ত হৈ অস্থি মজ্জা সংৰোপণৰ

প্ৰয়োজন হোৱা শূন্যৰ পৰা ১৪ বছৰীয়া শিশুৰ বাবে উপলব্ধ হ'ব। তদুপৰি জন্মগতভাৱে হৃদ ৰোগত আক্ৰান্ত ১৮ বছৰীয়া শিশুলৈকে এই সেৱা উপলব্ধ হ'ব। প্ৰয়োজন অনুসৰি শিশুসকলক নিৰ্দিষ্ট চিকিৎসালয়লৈ প্ৰেৰণৰ ব্যৱস্থা থাকিব। স্বাস্থ্য সেৱাৰ পৰীক্ষা কেন্দ্ৰ হিচাপে গুৱাহাটী, নলবাৰী, বৰপেটা, ধুবুৰী, কোকৰাঝাৰ, নগাঁও, তেজপুৰ, যোৰহাত, লখিমপুৰ, ডিব্ৰুগড়, তিনিচুকীয়া, শিলচৰ আৰু ডিফুস্থিত চিকিৎসা মহাবিদ্যায় আৰু চিকিৎসালয়ক চিনাক্তকৰণ কৰা হৈছে।

সংশ্লিষ্ট অভিভাৱকসকলে নিজৰ শিশুসকলক স্বাস্থ্য পৰীক্ষাৰ উল্লেখিত ৰোগ চিনাক্তকৰণ শিবিৰলৈ আনিব পাৰিব। এই স্বাস্থ্য পৰীক্ষাৰ বাবে কামৰূপ মহানগৰ, নলবাৰী, বাক্সা, বৰপেটা, বঙাইগাঁও, ধুবুৰী, দক্ষিণ শালমাৰা, মানকাচৰ, গোৱালপাৰা, কোকৰাঝাৰ, চিৰাং, নগাঁও, মৰিগাঁও, ডিব্ৰুগড়, চৰাইদেউ আদি জিলাসমূহ সামৰি লোৱা হৈছে।

০০০০০০০

অসম জাতীয় জীৱনৰ প্ৰাণ প্ৰতিষ্ঠাপক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মানত পশ্চিমবংগৰ বিশ্ব ভাৰতীয় বিশ্ববিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱ আসন প্ৰতিষ্ঠাৰ বাবে বিশ্ব ভাৰতী বিশ্ববিদ্যালয় আৰু অসম চৰকাৰৰ মাজত কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতি এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। অসম চৰকাৰৰ হৈ উচ্চ শিক্ষা বিভাগৰ সচিব মধুসুদন নাথ আৰু বিশ্ব বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অশোক কুমাৰ মাহাতোৱে এই চুক্তিত স্বাক্ষৰ কৰে। দিছপুৰস্থিত লোকসেৱা ভৱনৰ ভূমি মহলাৰ সভাকক্ষত আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক অৰবিন্দ মণ্ডল আৰু বিশ্ববিদ্যালয়খনৰ কৰ্তৃপক্ষক এই উপলক্ষে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে শৰ্মাই কয় যে, শ্ৰীমন্ত শংকৰদেৱ আৰু ভক্তি আন্দোলনৰ ওপৰত অধ্যয়ন আৰু গৱেষণা অসম আৰু ভাৰতৰ সীমাৰ বাহিৰলৈ সম্প্ৰসাৰিত কৰাটোৱেই হৈছে এই আসনখন প্ৰতিষ্ঠাৰ অন্যতম মুখ্য উদ্দেশ্য। এই আসনখনেই শংকৰদেৱ আৰু তেওঁৰ অনুগামীসকলৰ জীৱন, শিক্ষা আৰু কৰ্মৰাজীক অসমৰ বাহিৰত অধ্যয়ন আৰু গৱেষণাৰ সুযোগ সৃষ্টি কৰিব। ৰাজ্য চৰকাৰে অসমৰ বাহিৰে ভাৰতৰ মুঠ পাঁচখন বিশ্ববিদ্যালয় শ্ৰীমন্ত শংকৰদেৱৰ নামত আসন প্ৰতিষ্ঠা কৰিবলৈ প্ৰচেষ্টা হাতত লৈছে। অনুষ্ঠানখনৰ শিক্ষামন্ত্ৰী ড০ ৰণোজ পেগু, গুৱাহাটী বিশ্বদ্যালয়ৰ উপাচায্য, অধ্যাপক ননী গোপাল মহন্ত, কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ৰমেশ চন্দ্ৰ ডেকা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকা প্ৰমুখ্যে ৰাজ্য চৰকাৰৰ উচ্চ পদস্থ বিষয়াসকলৰ লগতে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০০০০০

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ নিযুক্তি পৰীক্ষাৰ সম্ভাব্য তাৰিখ ঘোষণা কৰিছে। উচ্চতৰ মাধ্যমিক স্তৰৰ তৃতীয় বৰ্গৰ পদৰ বাবে অহা ১৫ চেপ্তেম্বৰত লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। আয়োগৰ জাননী অনুসৰি স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পৰীক্ষাসমূহ ২৯ চেপ্তেম্বৰৰ পুৱা ৯ বজাৰ পৰা ১২ বজালৈ আৰু মেট্ৰিক পৰ্যায়ৰ চালক পদৰ বাবে পৰীক্ষা সেইদিনা দুপৰীয়া ১ বাজি ৩০ মিনিটৰ পৰা বিয়লি ৪ বাজি ৩০ মিনিটলৈ অনুষ্ঠিত হ'ব। একেদৰে আই টি আই উত্তীৰ্ণসকলে ধৰি মেট্ৰিক পৰ্যায়ৰ চতুৰ্থ বৰ্গৰ সম্ভাব্য পৰীক্ষা ২৭ অক্টোবৰৰ পুৱা ৯ বজাৰ পৰা অনুষ্ঠিত হ'ব। আনহাতে, অষ্টম শ্ৰেণী পৰ্যায়ৰ পদসমূহৰ পৰীক্ষা অহা ২৭ অক্টোবৰত দুপৰীয়া ডেৰ বজাৰ পৰা অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে তৃতীয় বৰ্গৰ পদৰ বাবে প্ৰায় ১৮ লাখ ৫০ হাজাৰ প্ৰাৰ্থীয়ে আবেদন কৰিছে। চতুৰ্থ বৰ্গৰ পদৰ বাবে মুঠ আবেদনকাৰী প্ৰাৰ্থীৰ সংখ্যা হৈছে ১৩ লাখ ৭০ হাজাৰ। প্ৰকাশিত জাননী অনুসৰি পৰীক্ষাৰ্থীসকলে পৰীক্ষা কেন্দ্ৰলৈ কিতাপ, কাগজ, মোবাইল ফোন, বৈদুতিক সামগ্ৰী লৈ যাব নোৱাৰিব। পৰীক্ষা কেন্দ্ৰত পৰীক্ষাৰ্থীসকলে এডমিট কাৰ্ড, কলম, পৰিচয় পত্ৰহে নিব পাৰিব। পৰীক্ষাৰ বিধি ব্যৱস্থা উলংঘা কৰিলে আইনগতভাৱে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জাননীত উল্লেখ কৰা হৈছে।

০০০০০০০০

নতুন দিল্লীত দলৰ মুখ্য কাৰ্যালয়ত কালি বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা দলৰ হাৰিয়ানাৰ নিৰ্বাচন প্ৰভাৰি তথা কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানকে ধৰি আন কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত আছিল। আসন্ন হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰাৰ বাবে এই বৈঠক অনুষ্ঠিত হৈছিল। ইপিনে নতুন দিল্লীত কালি বিয়লি হাৰিয়ানা বিজেপিৰ কোৰ কমিতিৰ বৈঠকো অনুষ্ঠিত হৈ যায়। জে পি নাড্ডাৰ বাসভৱনত অনুষ্ঠিত এই বৈঠকত অমিত শ্বাহকে ধৰি বহুকেইগৰাকী নেতা উপস্থিত আছিল।

০০০০০

বৃহত্তৰ গুৱাহাটী দুগ্ধ ব্যৱসায়ী সংস্থাই অহা ১ ছেপ্তেম্বৰৰ পৰা গাখীৰৰ দাম ৩ টকাকৈ বৃদ্ধি কৰা হ'ব বুলি এখন সংবাদমেলযোগে প্ৰকাশ কৰিছে। সংগঠনটোৱে জনোৱা অনুসৰি অহা ১ ছেপ্তেম্বৰৰ পৰা প্ৰতি লিটাৰ গাখীৰৰ পাইকাৰী দাম ৬৪ টকা ৪০ পইচা আৰু খুচুৰা ৬৭ টকা হ'ব। উল্লেখযোগ্য যে বৃহত্তৰ গুৱাহাটী গোপালক সন্থাই খুঁটিত গাখীৰৰ দাম প্ৰতি লিটাৰত ২ টকা ৬০ পইচাকৈ বৃদ্ধি কৰিছে। যাৰ ফলত গাখীৰৰ পাইকাৰী আৰু খুচুৰা দাম বৃদ্ধিৰ সিদ্ধান্ত লোৱা হৈছে বুলি সংগঠনটোৱে জানিবলৈ দিছে।

০০০০০০০০

অসম বিধানসভাৰ শৰৎকালীন অধিবেশনৰ চতুৰ্থ দিনা কালি কেইবাখনো বিধেয়ক গৃহীত হয়। ইয়াৰ ভিতৰত - দি আছাম টেনেন্সি এমেণ্ডমেণ্ট বিল ২০২৪, দি আছাম ৰিপিলিং বিল ২০২৪, দি আছাম ভেটেৰীনেৰী এণ্ড ফিছাৰী ইউনিভাৰ্চিটী বিল ২০২৪, দি আছাম স্কিলছ ইউনিভাৰ্চিটী এমেণ্ডমেণ্ট বিল ২০২৪ আৰু দা মৰাণ অটোন'মাছ কাউন্সিল এমেণ্ডমেণ্ট বিল ২০২৪ অন্যতম। ইয়াৰ লগতে দি আছাম আৰ্বান ৱাটাৰ ব'ডিজ (প্ৰিজাৰভেচন এণ্ড কনজাৰভেচন বিল ২০২৪) শীৰ্ষক বিধেয়কখনো বিবেচনাৰ বাবে কালি বিধানসভাত উত্থাপন কৰা হয়।

মুছলমান বিবাহ আৰু বিবাহ বিচ্ছেদ বাধ্যতামূলক পঞ্জীয়ন বিধেয়ক ২০২৪ ধ্বনিভোটত গৃহীত হয়। এই বিধেয়কৰ অধীনত বাল্যবিবাহ অপৰাধ হিচাপে গণ্য কৰা হ'ব। ইয়াৰ লগতে এই বিধেয়কৰ জৰিয়তে কাজীয়ে ইছলামধৰ্মী বিয়াৰ পঞ্জীয়ন কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। নতুন আইনমতে চৰকাৰী কাৰ্যালয়ত ইছলামধৰ্মী লোকসকলে বিবাহৰ পঞ্জীয়ন কৰিব পাৰিব। বিবাহৰ বাবে ছোৱালীৰ ১৮ বছৰ তথা ল'ৰাৰ ২১ বছৰ বয়সৰ সীমা উলংঘন কৰিব নোৱাৰিব। এই বিধেয়কখনে কিশোৰীৰ গৰ্ভধাৰণৰ বিৰুদ্ধে  কঠোৰ প্ৰতিৰোধক হিচাপে কাম কৰাৰ লগতে ছোৱালীসকলৰ সামগ্ৰিক বিকাশ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

ইয়াৰ লগতে বিধানসভাত আসাম লেণ্ড এণ্ড ৰেভিনিউ ৰেগুলেশ্বন বিধেয়ক গৃহীত হয়। এই বিধেয়কৰ জৰিয়তে ২৫০ বছৰ পুৰণি ঐতিহাসিক স্থান আৰু সত্ৰৰ ৫ কিলোমিটাৰ ব্যাসাৰ্ধত মাটি বিক্ৰীৰ ক্ষেত্ৰত কঠোৰ নিয়ম প্ৰযোজ্য হ'ব। অৱশ্যে গৃহীত হোৱা বিধেয়কৰ পৰা মাজুলী জিলা প্ৰত্যাহাৰ কৰা হৈছে।

সদনে অসম চৰকাৰী ভাষা সংশোধনী বিধেয়কো গৃহীত কৰে।  এই বিধেয়কৰ দ্বাৰা বৰাক উপত্যকাৰ জিলাকেইখনৰ লগতে হোজাই জিলাত মণিপুৰী ভাষাকো সহযোগী চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিয়া হ'ল। বিধেয়কখন উত্থাপন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে যিহেতু সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত ভাষাকহে সহযোগী চৰকাৰী ভাষাৰূপে স্বীকৃতি দিব পাৰি, সেয়েহে বিষ্ণুপ্ৰিয়া মণিপুৰী আৰু কাছাৰী ভাষাটোক অন্তৰ্ভুক্ত কৰাৰ কথা বিবেচনা কৰিব পৰা হোৱা নাই। চাওতালী ভাষাক ৰাজ্যত প্ৰথমবাৰৰ বাবে শিক্ষাৰ মাধ্যমৰূপে স্বীকৃতি দিয়া বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী অতুল বৰাই সদনত পূৰ্বে উত্থাপন কৰা দা আছাম ভেটেৰিনেৰী এণ্ড ফিচাৰী ইউনিভাৰ্ছিটী বিল, ২০২৪ কালি ধ্বনি ভোটত গৃহীত হয়। সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই উত্থাপন কৰা দা মৰাণ অটন'মাছ কাউঞ্চিল এমেণ্ডমেণ্ট বিল, ২০২৪ আৰু দা মটক অট'নমাছ কাউঞ্চিল বিল সদনত ধ্বনি ভোটত গৃহীত হয়। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলে ৰাজ্যৰ মাষ্টাৰ প্লেন থকা নগৰাঞ্চলৰ বাবে প্ৰযোজ্য হোৱাকৈ দা আছাম আৰবান ৱাটাৰ বডিছ (প্ৰিজাৰভেচন এণ্ড কনজাৰভেচন) বিধেয়ক উত্থাপন কৰে। প্ৰধানতঃ নগৰাঞ্চলত বান প্ৰতিৰোধৰ বাবে এই বিধেয়ক উত্থাপন কৰা হয়। দ্ৰুত নগৰীকৰণৰ ফলত যাতে পানী পৰিবাহী পথ, জলাশয়, বিল, পুখুৰী আদি পুতি পেলোৱা নহয় সেয়া নিশ্চিত কৰিবলৈ এই বিধেয়কখনত ব্যৱস্থা ৰখা হৈছে।

ইপিনে বিধায়ক ৰমাকান্ত দেউৰীয়ে সংখ্যালঘু এলেকাত হিন্দু ধৰ্মালম্বী শিক্ষয়িত্ৰীসকলৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ  বিধানসভাৰ অধ্যক্ষক আহ্বান জনায়।

০০০০০০০০

**পেৰিছ পেৰালিম্পিকত ভাৰতীয় মিক্সড কম্পাউণ্ড আৰ্চাৰী দল শীতল দেৱী আৰু ৰাকেশ কুমাৰে ১৩৯৯ স্কৰ সংগ্ৰহ কৰি নতুন পেৰালিম্পিক অভিলেখ গঢ়িবলৈ সক্ষম হৈছে। ২চেপ্তেম্বৰত ভাৰতীয় যুটিটোৱে শীৰ্ষস্থানৰ খেলুৱৈ হিচাপে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিব। পেৰিছ পেৰালিম্পিকৰ দ্বিতীয় দিনটোত আজি ভাৰতীয় খেলুৱৈসকলে বিভিন্ন শিতানত প্ৰতিযোগীতাত অৱতীৰ্ণ হব। টকিঅ'ত দুটা পদক বিজয়ী অৱনী লেখাৰাই 'আৰ টু' মহিলাৰ ১০ মিটাৰ এয়াৰ ৰাইফল এছ এইচ ১ শাখাত আন এক পদক অৰ্জনৰ লক্ষ্যৰে অৰ্হতা আৰু ফাইনেলত অৱতীৰ্ণ হ'ব। মোনা আগৰৱালাইও আজি একেটা শিতানত অৱতীৰ্ণ হব। টকিঅ' পেৰালিম্পিকৰ ৰূপৰ পদক বিজয়ী ছুহাছ যথিৰাজে আজি গ্ৰুপ পৰ্যায়ৰ দ্বিতীয়খন খেল খেলিব।**

০০০০০০০০

———ইউ এছ অপেন টেনিছ প্ৰতিযোগিতাত ভাৰত-অষ্ট্ৰেলিয়ালৰ ৰোহন বোপান্না আৰু মেথিউ এবডেনে পুৰুষৰ ডাবলছ শাখাৰ প্ৰথমখন খেলত জয়লাভ কৰিছে। যুটীটোৱে ৰবীন হেছ আৰু ছেণ্ডাৰ এৰেন্দছৰ যুটীটোক ৬-৩, ৭-৫ ছেটত পৰাস্ত কৰে। দ্বিতীয় বাছনিৰ বোপান্না আৰু এবডেনৰ যুটীটোৱে দ্বিতীয় ৰাউণ্ডৰ খেলত কাইলৈ আৰ কাৰবালিছ আৰু এফ ক'ৰিয়াৰ বিৰুদ্ধে খেলিব। ইপিনে ৰোহন বোপান্নাই মিক্সড ডাবল শাখাৰ ইণ্ডোনেছিয়াৰ অলডিলা সুতজিয়াদিৰ সৈতে প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব।

পুৰুষৰ ডাবলছ শাখাৰ আন এখন খেলত ভাৰতৰ এন শ্ৰীৰাম বালাজী আৰু ইউকি ভামৰিয়ে তেওঁলোকৰ সহযোগী খেলুৱৈৰ সৈতে দ্বিতীয় ৰাউণ্ডলৈ উন্নীত হৈছে। মহিলাৰ ছিংগলছ শাখাত বিশ্বৰ এক নম্বৰ খেলুৱৈ ইগা স্যুৱেটেগে জাপানৰ এনা শ্বিবাৰাক ৬-০, ৬-১ ছেটত পৰাস্ত কৰি তৃতীয় ৰাউণ্ডলৈ উন্নীত হৈছে। পুৰুষৰ ছিংগলছ শাখাত বিশ্বৰ এক

নম্বৰ খেলুৱৈ জানিক ছিনাৰে আমেৰিকাৰ এলেক্স মিছেলছনক ৬-৪, ৬-০, ৬-২ ছেটত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিছে।

০০০০০০

অসম বিধানসভাৰ শৰৎকালীন অধিৱেশন কালি মুছলমান বিবাহ আৰু বিবাহ বিচ্ছেদ বাধ্যতামূলক পঞ্জীয়ন বিধেয়ক, ২০২৪ গৃহীত কৰা হয়। এই বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিক **দি আছাম ট্ৰিবিউন** আৰু **দ্যা ছেণ্টিনেল** কাকতেও প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

বিশ্বক কেন্সাৰ মুক্ত কৰাৰ বাবে চলা অহৰহ গৱেষণাৰ ফলতে শীঘ্ৰে এই ৰোগৰ প্ৰতিষেধক আৱিষ্কাৰ হোৱাৰ সম্ভাৱনা উজ্বল হৈ উঠিছে। এই বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে শীঘ্ৰে আৱিষ্কাৰ দিশে কেন্সাৰৰ প্ৰতিষেধক শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসম চৰকাৰে বিশ্বভাৰতী বিশ্ববিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱ আসন প্ৰতিষ্ঠাৰ বাবে বিশ্ববিদ্যালয়খনৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। **দৈনিক জনমভূমি** কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অসম চৰকাৰৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ পদৰ পৰীক্ষাৰ সময়সূচী ঘোষণা কৰা হৈছে। এই বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে ১৫, ২৯  ছেপ্তেম্বৰত তৃতীয়বৰ্গৰ, ২৭ অক্টোবৰত হ'ব চতুৰ্থবৰ্গৰ পৰীক্ষা শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

পহিলা ছেপ্তেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ প্ৰতি লিটাৰ গাখীৰৰ পায়কাৰী আৰু খুচুৰা মূল্য তিনি টকাকৈ বৃদ্ধি কৰিলে বৃহত্তৰ গুৱাহাটী দুগ্ধ ব্যৱসায়ী সংস্থাই। এই বাতৰিটো **আমাৰ অসম** আৰু **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - ওৰাং ৰাষ্ট্ৰীয় উদ্যানত ঢেঁকীয়াপতীয়াৰ আক্ৰমণত কৰ্তব্যৰত গৃহৰক্ষী জোৱানৰ মৃত্যু, প্ৰতীক্ষাৰ অন্ত ঃ খানাপাৰত স্থাপন হ'ব পশুপালন-মীন বিশ্ববিদ্যালয় ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত